...গুৱাহাটীৰ কৃত্ৰিম বানে
...ৰি আহিছে। ব্যতিক্ৰম নহয়
...দুৰ্দশাৰ সীমা চেৰাই গৈছে।
...াত-নিষ্ক্ৰিয়। বিভাগীয়
...া মন্তব্যৰে জনতাক উপলুঙা
...ীৰ প্ৰতিশ্ৰুতি সম্পূৰ্ণ অসাৰ,
...পৰামৰ্শ লৈ, স্থানীয় ৰাইজক
...ত ব্যৱস্থা লওক।
— ড° সমুজ্জ্বল ভট্টাচাৰ্য

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

ফোন নং ঃ ০৩৭৬—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ১৯৫ শনিবাৰ ১৬ জেঠ ১৯৪৭ শক ৩১ মে' ২০২৫ চন ASOMIYA KHABAR JORHAT SATURDAY 31 MAY 2025

...ৰহিষ্কাৰৰ
অস্ত্ৰৰ অনুজ্ঞা...
সন্দৰ্ভত হীৰেন ...
কংগ্ৰেছৰ আপ...
গুৰুত্ব দিবলগী...

### যোগাসনে ভাৰতবৰ্ষক বিশ্বগুৰুৰূপে পৰিচিত কৰিছেঃ ড° শইকীয়া

## কানৈ কলেজত দ্বিতীয় যোগাসন প্ৰতিযোগিতা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩০ মে' ঃ** 'যোগাসনে ভাৰতবৰ্ষক বিশ্বগুৰুৰূপে পৰিচিত কৰিছে।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ যোগ আৰু ধ্যান কেন্দ্ৰ, সংস্কৃত বিভাগৰ উদ্যোগত ২৫ মে'ত অনুষ্ঠিত হোৱা জিলাভিত্তিক দ্বিতীয় যোগাসন প্ৰতিযোগিতাত উদ্বোধনী ভাষণ প্ৰদান কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। অধ্যক্ষ ড° শইকীয়াই কয়, শৰীৰ সুস্থ হৈ থাকিলেহে দেশ এখন সুস্থিৰ হ'ব। তাৰবাবে যোগাসন হৈছে উত্তম পন্থা। তেওঁ কয়—সমগ্ৰ বিশ্বত আজি যোগক লৈ যি জাগৰণৰ সৃষ্টি হৈছে, ভাৰতবৰ্ষৰ বাবে সেয়া বহু পুৰণি ইতিহাস। ভাৰতবৰ্ষত বৈদিক ঋষি-মুনিসকলৰ দিনতেই এই যোগচৰ্চা অব্যাহত আছিল। তেওঁ সকলোকে দৈনিক যোগ চৰ্চা কৰিবলৈ আহ্বান জনোৱাৰ লগতে স্বাস্থ্য সুৰক্ষাত যোগাসনৰ গুৰুত্বৰ বিষয়ে বিষদভাৱে আলোকপাত কৰে। অধ্যক্ষ ড° শইকীয়াই কয়—সমগ্ৰ বিশ্বত যোগাসনক প্ৰতিষ্ঠা কৰি ভাৰতবৰ্ষই ইতিমধ্যে বিশ্বগুৰু হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। অৱশ্যে, উত্তৰ কোৰিয়া, ছোমালিয়া, দক্ষিণ আফ্ৰিকাৰ কেতবোৰ দেশত আজিও যোগাসন জনপ্ৰিয় হোৱা নাই। তাৰবাবে সেই দেশসমূহৰ জনসাধাৰণৰ মাজত স্বাস্থ্য সজাগতাৰ সৃষ্টি কৰিব লাগিব। যোগাসনক জনপ্ৰিয় কৰাৰ প্ৰচেষ্টা হাতত ল'ব লাগিব। সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা কল্যাণী দাসে আঁতধৰা আৰু অধ্যাপিকা ড° চয়নিকা গোস্বামীয়ে মংগলাচৰণৰে শুভাৰম্ভ কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সম্পৰ্কৰ সমন্বয়ক ড° জ্যোতিপ্ৰসাদ ফুকনে কয়—আজিৰ বস্তুবাদৰ যুগত মানুহৰ আধ্যাত্মিক [illegible]ৰণ ঘটাবলৈ যোগ উত্তম মাধ্যম। যোগে শৰীৰ, মন আৰু আত্মাৰ সমন্বয় সাধন কৰে। কানৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা বিনী শইকীয়া আৰু যোগ-ধ্যান কেন্দ্ৰৰ শিক্ষয়িত্ৰী চয়নিকা গগৈৰ পৰিচালনাত বিভিন্ন শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত ডিব্ৰুগড় জিলাৰ বিদ্যালয়, মহাবিদ্যালয়সমূহৰ ১৫০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিজয়ীসকলৰ লগতে অংশগ্ৰহণকাৰী প্ৰতিযোগীসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে জড়িত হৈ থকাসকল উপস্থিত থাকে।